নং ঃ ৫৪১/২০২০

# অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণেৰে খিলঞ্জীয়া জনসাধাৰণক সাংবিধানিক সুৰক্ষা প্ৰদানৰ দিশত ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ ঃ মুখ্যমন্ত্ৰী

## অসমবাসীক বিভ্ৰান্ত নহ'বলৈ মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ১১ আগষ্ট ঃ** অসম চুক্তিৰ প্ৰতিটো দফা আখৰে আখৰে ৰূপায়ণৰ দিশত বৰ্তমানৰ ৰাজ্য চৰকাৰ দায়বদ্ধ। অসম চুক্তি ৰূপায়ণেৰে এখন বিদেশীমুক্ত অসম গঢ়ি তোলাৰ বাবে সেয়েহে চৰকাৰখনে আন্তৰিকতাৰে পদক্ষেপ লৈ আহিছে। পূৰ্বৰ কোনো এখন চৰকাৰে অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণৰ বাবে সমিতি গঠন কৰাৰ দিশত আগ্ৰহ প্ৰকাশ কৰা নাছিল। ৰাজ্যৰ কেতবোৰ ৰাজনৈতিক শক্তিয়ে অসম চুক্তি বাস্তৱত ৰূপায়ণ হোৱাটো নিবিচাৰে। কিন্তু বৰ্তমানৰ ৰাজ্য চৰকাৰে এই চুক্তিখন মনে-প্ৰাণে ৰূপায়ণ হোৱাটো বিচাৰে। ৰাজ্য চৰকাৰে অসম আন্দোলনৰ শ্বহীদৰ ত্যাগ অথলে যাবলৈ নিদিয়ে। সেয়েহে অসম চুক্তিৰ প্ৰতি উপযুক্ত সন্মান প্ৰদৰ্শন কৰি চুক্তিখনৰ অন্যতম ৬ নং দফা ৰূপায়ণৰ বাবে কেন্দ্ৰীয় চৰকাৰে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ নেতৃত্বত এখন সমিতি গঠন কৰি দিছে। আজি এক বিবৃতি যোগে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে অসম চুক্তি ৰূপায়ণ সন্দৰ্ভত এই মন্তব্য প্ৰদান কৰে।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণেৰে অসমৰ খিলঞ্জীয়া জনসাধাৰণক সাংবিধানিকভাৱে সুৰক্ষিত কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে গঠন কৰি দিয়া সমিতিখনত সদৌ অসম ছাত্ৰ সন্থাক সদস্য হিচাপে অন্তৰ্ভুক্ত কৰিছিল, কিন্তু তেওঁলোকে সঁহাৰি নজনালে। তদুপৰি কেইবাগৰাকীও সন্মানীয় সদস্যই সমিতিখনৰ পৰা পদত্যাগ কৰিছিল। কিন্তু এই সমিতিখন গঠনৰ পূৰ্বে সন্মানীয় সদস্যসকলৰ পৰা মৌখিকভাৱে অনুমতি লৈহে সদস্যভুক্ত কৰা হৈছিল। ফলশ্ৰুতিত অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণৰ কাম-কাজে স্থবিৰতা লাভ কৰিছিল। কিন্তু অসম চুক্তি ৰূপায়ণৰ প্ৰতি থকা বিশেষ দায়বদ্ধতাৰ বাবে চৰকাৰে এই বিষয়টোক সন্মানৰ প্ৰশ্ন হিচাপে নলৈ তৎকালে ২০১৯ বৰ্ষৰ ১৭ জুলাইত অৱৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ নেতৃত্বত এখন ১৩ জনীয়া সমিতি গঠন কৰি দিয়ে। উল্লেখ্য যে অসম চৰকাৰে কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহক অনুৰোধ জনোৱা মৰ্মে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে দ্বিতীয়বাৰৰ বাবে সমিতিখন গঠন কৰি দিয়ে। এই কথাই অসম চুক্তিৰ ৰূপায়ণৰ দিশত থকা কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ সদিচ্ছাৰ কথাই প্ৰতিফলিত কৰে। দ্বিতীয় বাৰৰ বাবে গঠন কৰা সমিতিখনত সদৌ অসম ছাত্ৰ সন্থাকো অন্তৰ্ভুক্ত কৰা হয়। এই সমিতিখনে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ বিভিন্ন দল-সংগঠন, বিশিষ্ট ব্যক্তি, বুদ্ধিজীৱী, সাংবাদিক ইত্যাদিৰ মতামত গ্ৰহণ কৰি এখন প্ৰতিবেদন প্ৰস্তুত কৰিছিল। সমিতিয়ে এই প্ৰতিবেদন চলিত বৰ্ষৰ ২৫ ফেব্ৰুৱাৰীত দাখিল

কৰিছিল যদিও অতি দুৰ্ভাগ্যজনকভাৱে সেই সময়ৰ পৰা বৰ্তমানলৈকে ক'ৰনা মহামাৰীয়ে সমগ্ৰ বিশ্বতে ইয়াৰ সংক্ৰমণ অব্যাহত ৰাখি প্ৰাত্যহিক জনজীৱন স্থবিৰ কৰি পেলাইছে। ইয়াৰ পৰিপ্ৰেক্ষিততে সমগ্ৰ দেশৰ লগতে অসমতো মাৰ্চ মাহৰ শেষৰ পিনে লকডাউন কাৰ্যসূচী আৰম্ভ হয়। বৰ্তমানেও ক'ৰনা মহামাৰীৰ প্ৰকোপ হ্ৰাস পোৱা নাই। তদুপৰি অসমে ক'ভিড-১৯ ৰ লগতে বান-খহনীয়া, ভূমিস্খলন, ধুমুহা, বজ্ৰপাত, ছ'ৱাইন ফিভাৰ, বাঘজানৰ গেছ কূপৰ অগ্নিকাণ্ডৰ দৰে প্ৰত্যাহ্বান গ্ৰহণ কৰিও অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণৰ বাবে আন্তৰিকতাৰে পদক্ষেপ লৈ আহিছে। ভাৰত চৰকাৰেও সমান্তৰালভাৱে এই ক্ষেত্ৰত পদক্ষেপ লৈ আছে। সেয়েহে এই ক্ষেত্ৰত চৰকাৰক নিৰ্দ্ধাৰিত সময় সীমা নিদিয়াকৈ এই ৬ নং দফা ৰূপায়ণ সমিতিৰ প্ৰতিবেদন আনুষ্ঠানিকভাৱে ৰাজহুৱা কৰাটো  অত্যন্ত আচৰ্যজনক।

অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণৰ দিশত ৰাজ্য চৰকাৰ বদ্ধপৰিকৰ। অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণেৰে খিলঞ্জীয়া জনসাধাৰণৰ সাংবিধানিক সুৰক্ষা প্ৰদানৰ দিশটো চৰকাৰখন সদায়ে আগ্ৰহী। ৰাজ্য চৰকাৰে দ্বিধাহীনভাৱে ৰাইজক জনাব বিচাৰে যে এই ক্ষেত্ৰত কোনো ধৰণৰ আপোচ কৰা নহ'ব। জনসাধাৰণৰ স্বাৰ্থ বিঘ্নিত হ'ব পৰা কোনো কামেই বৰ্তমানৰ ৰাজ্য চৰকাৰে কৰা নাই আৰু ভৱিষ্যতেও নকৰে। বৰ্তমানৰ ৰাজ্য চৰকাৰখনে সেয়েহে আৰম্ভণিৰে পৰা সকলো বিষয়তে ৰাইজৰ মতামত লৈ অসমবাসীৰ স্বাৰ্থ সুৰক্ষিত কৰণৰ বাবে বিভিন্ন পদক্ষেপ লৈ আহিছে। জনসাধাৰণক অন্ধকাৰত ৰাখি কোনো কামেই বৰ্তমানৰ চৰকাৰখনে কৰাৰ নজিৰ নাই আৰু ভৱিষ্যতেও নকৰে।

**পুঃডেঃ / বঃভাঃ / প্ৰঃকুঃব**
**১১/০৮/২০২০**